জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫১/২০২১

# বেতকুছিস্থিত আন্তঃৰাজ্যিক বাছ আস্থান চৌহদত ক'ভিড টিকাকৰণ কেন্দ্ৰ আৰু ১৫ খন ভ্ৰাম্যমাণ ক'ভিড টিকাকৰণ বাহনৰ সেৱা আনুষ্ঠানিকভাৱে উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অহা ৩০ অক্টোবৰৰ ভিতৰত ৰাজ্যৰ প্ৰতিগৰাকী যোগ্য লোককে ভেকচিনৰ দ্বাৰা সামৰি লোৱাৰ বাবে টিকাকৰণ অভিযান অধিক তীব্ৰতৰ কৰি তুলিবলৈ স্বাস্থ্য বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৮ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি বেতকুছিস্থিত আন্তঃৰাজ্যিক বাচ আস্থান চৌহদত এটা ক'ভিড টিকাকৰণ কেন্দ্ৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ আন্তঃ জিলা যাতায়াত মুকলি কৰাৰ ফলত এই বাছ আস্থানত বিপুল সংখ্যক যাত্ৰীৰ সমাগম হোৱালৈ লক্ষ্য ৰাখি এতিয়াও টিকাকৰণৰ জৰিয়তে সামৰি নোলোৱা আন্তঃজিলা আৰু আন্তঃৰাজ্যিক যাত্ৰীসকলক ক'ভিডৰ ভেকচিন প্ৰদান কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগ তথা ৰাষ্ট্ৰীয় স্বাস্থ্য মিচনৰ উদ্যোগত এই কেন্দ্ৰ মুকলি কৰা হৈছে।

আনহাতে বেতকুছিস্থিত আন্তঃৰাজ্যিক বাছ আস্থান চৌহদতে মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি ভ্ৰাম্যমান ক'ভিড টিকাকৰণ বাহন সেৱাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। এই কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত তিনিখন জিলা ক্ৰমে কোকৰাঝাৰ, বাক্সা আৰু বজালীলৈ যাবলগীয়া ১৫ খন এনে বাহনৰ যাত্ৰাৰ ফ্লেগ অফ কৰি তেওঁ এই সেৱা আনুষ্ঠানিকভাৱে মুকলি কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যত ক'ভিড টিকাকৰণ অভিযান সফল কৰি তোলাৰ ক্ষেত্ৰত অশেষ কষ্ট স্বীকাৰ কৰাৰ বাবে এ এন এম নাৰ্চ, অন্যান্য টিকাকৰণ কৰ্মীসকলকে ধৰি স্বাস্থ্য বিভাগৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰীকে ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্যখনত এই পৰ্যন্ত ১.৯১ কোটি লোকক টিকাকৰণৰ জৰিয়তে সামৰি লোৱাৰ লগতে ইয়াৰে ১.৫ কোটি লোকে প্ৰথম পালি ভেকচিন লাভ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। অহা ৩০ অক্টোবৰৰ ভিতৰত ৰাজ্যৰ প্ৰতিগৰাকী যোগ্য লোকেই যাতে কমেও ক'ভিডৰ প্ৰথম পালি ভেকচিন লাভ কৰিব পাৰে, তাৰ বাবে টিকাকৰণ অভিযান অধিক তীব্ৰতৰ কৰি তুলিবলৈ তেওঁ স্বাস্থ্য বিভাগৰ বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে।

অনুষ্ঠানত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংহল, অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধ্যক্ষ অশোক ভট্টৰায়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অভিযান সঞ্চালক ডাঃ লক্ষ্মণন এছ, স্বাস্থ্য সেৱা (পৰিয়াল কল্যাণ) সঞ্চালক তথা ক'ভিড টিকাকৰণৰ ৰাজ্যিক ন'ডেল বিষয়া মুনীন্দ্ৰ নাথ নাটেকে ধৰি স্বাস্থ্য বিভাগৰ বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে।

**প্ৰঃকুঃবঃ /০৮-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in